**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 27-10-2025** **Time :** 1205 Hrs

***Assamese Midday Bulletin***

---------------------------

০০০০০০

নাৰী শিক্ষাৰ ক্ষেত্ৰত যুগান্তকাৰী পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰীৰ নিযুত মইনা আঁচনিৰ দ্বিতীয় পৰ্যায়ৰ অধীনত আজি উচ্চ শিক্ষা লাভৰ বাবে ছাত্ৰীসকলৰ মাজত চেক বিতৰণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। এই উপলক্ষে সৰুসজাইৰ অৰ্জুন ভোগেশ্বৰ বৰুৱা ক্ৰীড়া প্ৰকল্পত আয়োজিত কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা মুখ্য অতিথি হিচাপে উপস্থিত থাকে। ডঃ শৰ্মাই তেওঁৰ ভাষণত কয়, যে ২০২৪-২৫ বৰ্ষত এই আঁচনিৰ অধীনত এক লাখ ৬০ হাজাৰ ছাত্ৰীলৈ ১৩৩ কোটি টকা মোকলাই দিয়াৰ বিপৰীতে ২০২৫-২৬ বৰ্ষত ৩ লাখ ৫০ হাজাৰ ছাত্ৰীক নিযুত মইনা আঁচনিৰ সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ কয়, যে উচ্চ শিক্ষা আহৰণৰ দিশত ৰাজ্যৰ ১০ লাখ কন্যা শিক্ষাৰ্থীৰ সুবিধাৰ্থে ৰাজ্য চৰকাৰে এই অভিলাষী পদক্ষেপ গ্ৰহণ কৰিছে। এই আঁচনিখনৰ জৰিয়তে মহাবিদ্যালয়ত ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা বৃদ্ধি, বাল্যবিবাহ তথা কৈশোৰকালৰ মাতৃত্ব প্ৰতিৰোধ, প্ৰতিগৰাকী কন্যা শিশুৰ শিক্ষা, স্বাস্থ্য আৰু সুৰক্ষা সুনিশ্চিত হৈছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু, গুৱাহাটীৰ সাংসদ বিজুলী কলিতা মেধি, পূব গুৱাহাটীৰ বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি আন কেইবাগৰাকী বিধায়ক উপস্থিত আছে।

০০০০০০০

জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যু সন্দৰ্ভত এছ আই টিৰ তদন্তৰ সমান্তৰালভাৱে ন্যায়িক আয়োগেও তদন্ত আৰম্ভ কৰাৰ বাবে সাজু হৈছে। ইতিমধ্যে ৰাজ্য চৰকাৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়াৰ নেতৃত্বত ন্যায়িক আয়োগ গঠন কৰিছে। ৰাজ্যত প্ৰথমবাৰলৈ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশৰ দ্বাৰা গঠিত এই আয়োগে মূলত জুবিন গাৰ্গৰ মৃত্যুৰ ঘটনাৰ তথ্য আৰু পৰিস্থিতি সম্পৰ্কীয় চাৰিটা বিষয়ক তদন্তত সামৰি ল'ব। আয়োগে ছিংগাপুৰত ঘটনাৰ পূৰ্বৰ আৰু পৰৱৰ্তী সময়ছোৱাৰ সকলোবোৰ পৰিঘটনাৰ ক্ৰম নিৰ্ণয় কৰিব। তদুপৰি তদন্তত বৈ যোৱা সকলো ত্ৰুটি পৰীক্ষা কৰিব। ন্যায়িক আয়োগৰ আইনী সহযোগিতাৰ বাবে চাৰিজন অধিবক্তাক নিযুক্তি দিয়াৰ উপৰি অসম অসামৰিক সেৱাৰ বিষয়া অৰূপ পাঠকক আয়োগৰ সচিব হিচাপে নিযুক্তি দিয়া হৈছে। জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত কোনো ব্যক্তি বিশেষ বা অনুষ্ঠানে অভিযোগ বা তথ্য অৱগত কৰিব বিচাৰিলে ন'টাৰী কৰি প্ৰত্যায়িত শপতনামা আকাৰেহে আয়োগক জবানবন্দী দাখিল কৰিব লাগিব। অহা ৩ৰ পৰা ২১ নৱেম্বৰলৈ গুৱাহাটীৰ চানমাৰিৰ অসম খাদী আৰু গ্ৰামোদ্যোগ পৰিষদৰ চৌহদত থকা ন্যায়াধীশ সৌমিত্ৰ শইকীয়া আয়োগৰ কাৰ্যালয়ত শপতনামা দাখিল কৰিব পাৰিব।

০০০০০০০

প্ৰায় তিনি দশকৰ পাছত আগৰতলা আৰু শিলচৰৰ মাজত ক াইলৈ পুনৰ বিমান সেৱা আৰম্ভ হ'ব। কালি সন্ধিয়া আগৰতলা আৰু পশ্চিমবংগৰ বাগড'গ্ৰাৰ মাজত পোনপটীয়া বিমান সেৱা আৰম্ভ হয়। ভাৰতীয় বিমানবন্দৰ প্ৰাধিকৰণৰ আগৰতলাৰ সহকাৰী মহা প্ৰবন্ধক এছ হাউকিপ জেম্পুৱে কয়, যে এয়াৰ

ইণ্ডিয়া এক্সপ্ৰেছে আগতৰতলাৰ মহাৰজা বীৰ বিক্ৰম বিমানবন্দৰৰ পৰা কালি সন্ধিয়া বাগড'গ্ৰালৈ বিমান সেৱা আৰম্ভ কৰে। তেওঁ লগতে কাইলৈৰ পৰা সপ্তাহত দুবাৰকৈ মঙলবাৰ আৰু শুকুৰবাৰে আগৰতলা আৰু শিলচৰৰ মাজত বিমান চলিব বুলি প্ৰকাশ কৰে। প্ৰায় ৩০ বছৰৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ এই চহৰ দুখনৰ মাজত ইণ্ডিগ'ৰে বিমান সেৱা আৰম্ভ কৰিব। ইয়াৰ ফলত দেশৰ ১০ খন স্থানৰ সৈতে আগৰতলাৰ পৰা পোনপটীয়া বিমান যোগাযোগ গঢ়ি উঠিব।

oooooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি ষট্ পূজা পালন কৰা হৈছে। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই ষট্ পূজা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এই পূজাই বিশ্বাস, পৱিত্ৰতা, নিষ্ঠা আৰু গভীৰ সাংস্কৃতিক ঐতিহ্যৰ লগতে আধ্যাত্মিক প্ৰমূল্যক প্ৰতিফলিত কৰে বুলি ৰাজ্যপালগৰাকীয়ে মত প্ৰকাশ কৰিছে।

বিশ্বনাথ জিলাৰ বিহালী, গহপুৰ আদি অঞ্চলত ষট্ পূজা পালন কৰা হৈছে। শিলচৰত এই উৎসৱ উপলক্ষে বৰাক নদীৰ অন্নপূৰ্ণা ঘাট, ৰংপুৰ ঘাট, বৰম বাবা, এন আই টি শিলচৰৰ জলাশয়ৰ বিভিন্ন ঘাট সজাই তোলা হৈছে। কাছাৰ জিলা দুৰ্যোগ ব্যৱস্থাপনা কৰ্তৃপক্ষই সকলো ভক্ত আৰু জনসাধাৰণৰ সুৰক্ষা নিশ্চিত কৰাৰ উদ্দেশ্যে কেতবোৰ নিৰ্দেশনা জাৰি কৰিছে। হোজাই জিলাৰ লংকা লংকেশ্বৰী ষট্ ঘাটত পূজা সমিতিয়ে দুদিনীয়া কাৰ্যসূচীৰে ষট্ পূজা পালন কৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাতো দুদিনীয়া কাৰ্যসূচীৰে ষট পূজা পালন কৰা হৈছে। জিলাখনৰ খেৰণী, বৈঠালাংছ' আৰু হামৰেণত বাস কৰা ভোজপুৰী সম্প্ৰদায়ৰ লোকসকলৰ লগতে বঙালী সম্প্ৰদায়ৰ লোকসকলেও এই পূজাত অংশগ্ৰহণ কৰা বুলি আমাৰ সংবাদদাতাই জনাইছে। আজি পৰম্পৰাগত ৰীতি-নীতিৰে ভক্তসকলে কপিলী নৈ, বৰপানী নৈৰ ঘাটত অস্থায়ীভাৱে সজা দেৱী ষট মাৰ বেদীত ভোগ-নৈবদ্য অৰ্পণ কৰি আশিস বিচাৰিব। এই পূজাৰ সময়ছোৱাত যাতে কোনোধৰণৰ দুৰ্ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে।

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপ-আয়ুক্ত কাৰ্যালয়ে আজি আৰু কাইলৈ মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জাৰি কৰিছে। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব।

oooooooo

**সমাপ্ত**